# আৱন্তণি

শ্ৰীসুশীল পাটোৱাৰী
স্নাতক ৩য় বৰ্ষ *(বিজ্ঞান শাখা)*

ঃ এনেকৈ আৰু নোৱাৰিদে! একদম মেজাজ গৰম হৈ যোৱা কথা বুজিছ ? ধুৰ, আলোচনী বুলিলেই কবিতা।

ঃ হেৰি কিহৰ কবিতা বুইছে নে নাই ? বুজা নাই?

ঃ প্ৰেমৰ, প্ৰেমৰ কবিতা। মৰি গলেও কিন্তু আপুনি প্ৰবন্ধ এটি নাপাব দেই। খং নুঠিব? কি কয়হে, খং নুঠিব! কেতিয়াবা ভাবো বাদ দি দিওঁ এইসব্। পিছে নোৱাৰি। এই পেট বোলা বস্তুটো অন্ততঃ পোহ গৈ আছেতো। আৰে ভাই, যত কূটৰ ঘাই এই আধুনিক কবিতাবোৰ। ময়ূৰক দেখি কাউৰীয়েও পেখম ধৰাৰ লেখীয়াকৈ আমাৰ ডেকাইঁতে চকুৰ পানীকে বানপানী, বিৰিণাকে বটগছ কৰি দিলে। বচ্ হৈ গ'ল আধুনিক কবিতা। এনেকৈ আৰু পাৰিনে? এই ডেকাবোৰৰ কথা বাৰু বাদ দিলো। এই বয়সত প্ৰেমৰ জোৱাৰ উঠাটো একো ডাঙৰ কথা নহয়! নুঠাটোহে আকৌ ডাক্তৰক দেখুৱাবলগীয়া। এনেয়ে কয়নে বোলো 'প্ৰেম নোহোৱা জীৱন নিমখ নিদিয়া আঞ্জাৰ দৰে' হাঁ হাঁ হাঁ। দস্তুৰমৎ সঁচা, বুইছে চেন্টপাৰ্চেন্ট কাৰেক্ট। অমুকাই বুজো নহয় ডেকা বয়সত দেহা-মন কেনেকৈ সৰিয়হ ফুটা দি ফুটিছিল। এহ বাদ দিয়ক সেইবোৰ। বিশ্বাস কৰিবনে? অমুকাই পঞ্চল্লিছ বছৰত দুবাৰকৈ প্ৰেম পৰীক্ষাত ফেইল মাৰি বিয়া বাৰু নকৰালে। কেৱল চাকৰি আৰু লিখা-মেলা বচ্। ই-মা-ন দিনে প্ৰবন্ধই লিখি আহিছিল। পিছে জানো কি হ'ল যোৱা দুটা সংখ্যাত দেখো একো খবৰেই নাই। সেয়ে কিবা এটা লিখক বুলি ফোনকেই কৰিলোঁ।

ঃ হেল্লো, হেল্লো, পাঠক নেকি? হয় হয় মই কৈছো। দেখো আপোনাৰ খবৰেই নাই। হেৰি পাঠক কিবা প্ৰবন্ধ চবন্ধ এটা লিখি দিয়ক আৰু।

ঃ না না না, এক্কেবাৰে সময় নাই দেই। অফিচত ধেৰ কাম পৰি আছে। বুইছে মৰিবলৈও অকণ আহৰি নাই।

ঃ এহ্ বাদ দিয়ক সেইবোৰ। হেৰি পাঠক, লিখিবলৈ যদি একো নাইয়েই হিন্দী চিনেমাৰ নায়িকাৰ ফটোকেই কেইখনমান দি পঠাওক। তাকেই চলাই দিওঁ বা প্লেকে।

ঃ হাঁ হাঁ হাঁ, ইমানকৈ ক'ব নালাগে। লিখিম দিয়ক। বুইছে, এইবাৰ গল্পকেই লিখিম। কিন্তু প্ৰেমৰ গল্প। বাৰু থৈছো হা।

ঃ হেল্লো হেল্লো। কি খাট্‌ৰনাক্ জিনিছৰে এইটো। প্ৰবন্ধৰ পৰা একেচাটে প্ৰেমৰ গল্প।

আৰু এইখন চাওঁক পাঠকৰ এন্‌ভেলপ। অফিচতে ল'ৰা এজনে আহি দি থৈ গৈছে। প্ৰেমৰেই গল্প বোধহয়! বোধহয় নহয়। খাটাং প্ৰেমৰ গল্প। বোলো ডেকাৰ পৰা বুঢ়ালৈকে সকলোৰে যদি প্ৰেমকেই ছাবজেক্ট হিচাপে লয় তেতিয়াহলে মোৰ আলোচনীখনৰ নামটোও 'প্ৰেম মাধুৰী' কৰাই মঙ্গল। ধেৎতেৰি, গল্পই লিখিছে নে অন্য কিবাই লিখিছে ?

হয়, হয়। প্ৰথম দুষাৰী পঢ়িয়েই গম পোৱা যায় নহয়। অৱশ্যে পাঠক অলপ এক্‌চেপ্‌চনেল। আৰম্ভণি যদি হয় প্ৰেমেৰে, শেষ হয় বিজ্ঞানেৰে। আচৰিত নহয় কিন্তু অন্ততঃ পাঠকৰ ক্ষেত্ৰত।

এ হৰি, ৰাম-বিষ্ণু। পাঠকে এইবোৰ লিখিছে কি? মোৰজনীৰ কথা নহয়তো! হয়, হয়, আমাৰ তেওঁৰেই হয়। নহলেনো সেই পাঠশালা স্কুল, মাকৰ ঘৰৰ লহকৰ উপাধি, সেই হাইস্কুলৰ তালুকদাৰ মাষ্টৰ..... ইমানবোৰ তথ্যৰ মিল থাকিবনে? আৰু যদি সঁচাকৈয়ে আমাৰ তেওৰেঁই হয় তেন্তে কলেজীয়া জীৱনত পাঠকৰ সৈতে ........। তাৰ মানে পাঠকৰ এতিয়ালৈকে বিয়া নোহোৱাৰ কাৰণ। উসঃ আৰু নোৱাৰি। ন-গৃহিণীৰ সৈতে প্ৰথম চিনাকি কৰাই দিওঁতে কোৱা "আপোনাতকৈ মই বহুদিন আগতেই জানো" কথাষাৰি মনত পাকঘূৰণি খাব ধৰিলে। সিদিনা কথাষাৰত গুৰুত্বই দিয়া হোৱা নাছিল। এৰাতো পাঠকে দেখোন এক বিন্দুও মিছা কথা লিখা নাই। তাৰ অৰ্থ ! হে প্ৰভু এয়া যেন সঁচাকৈয়ে গল্পই হয়।

পাঠকে লিখিছে ....... তাইৰ সৈতে হেনো গ-ভী-ৰ প্ৰেম। ............পিছে বিয়া হেনো অসম্ভৱ। দুয়ো প্ৰতিজ্ঞা কৰিছিল বিয়া নহলেও এটা সন্তান পাঠকৰ ফালৰ পৰা হ'বই লাগিব। ......' এই কথাখিনিকে ৰং-ৰহণ সানি পাঠকে গল্প কৰি পেলাইছে। বিৰাট এক ট্ৰেজিক গল্প। এয়াওটো হ'ব পাৰে সিহঁতৰ প্ৰথম ..........। নাই নাই মই এইবোৰ কি ভাবিছো। কিন্তু গল্পটো যদি প্ৰকাশ কৰি দিও অন্ততঃ মোক চিনি পোৱাবোৰে লেই লেই, ছেই ছেই কৰিব। আৰু যদি মাইকী মানুহৰ কাণত পৰে ............। ধুৰ ! ই-মান সৰু কথাত মূৰ ঘমোৱাত নাইদে। আৰু সঁচাই হ'ল জানিবা! কি নোহোৱা-নোপোজা কথাটো হ'ল। এইখন দেশৰ কোটি কোটি জনতাৰ মাজত একে নাম-উপাধিৰ মানুহ থাকিব নাপায় নেকি? বিখ্যাত দাৰ্শনিকৰ কথা -'এজনী নাৰীয়ে একমাত্ৰ এজন পুৰুষকে ভাল পাব নোৱাৰে'। আমাৰজনী আকৌ কেনেকৈ একচেপ্‌চনেল হ'ব? আমাৰ এওঁৰ যেনিবা প্ৰকাশ হ'ল। সেয়ে এওঁ বেয়া। দাস, হাঁলৈহঁতৰ বেলিকা? তেওঁলোকৰ যেনিবা প্ৰকাশ নহল। এহ ! বাদ দিয়ক হে! বুইছে। সব্ একে পানীৰ মাছ। কোনোবা জানিবা নদীৰ আৰু কোনোবা ফিছাৰীৰ হাঃ হাঃ হাঃ।

মানুহৰ আটাইতকৈ মজাৰ কথাটোৰেই হ'ল পৰ চৰ্চা। আৰে নিজৰ গাত চিকুটি চালেহে বুজি পাব। মোৰ নিজৰ কথাই নধৰে কিয়। সুদীৰ্ঘ দহবছৰীয়া সাংবাদিক জীৱনত কিমান ধৰ্ষিতাৰ কাহিনী নিঃসংকোচে প্ৰকাশ কৰিলোঁ বৰ বৰ হৰফেৰে একেবাৰে হেড্‌লাইনত। কিমানৰ ফটোপৰ্যন্ত প্ৰকাশ কৰি গৌৰৱবোধ কৰিলো। কিন্তু সেইজনী যদি মোৰ নিজৰ মা. বাইদেউ নতুবা ভন্টী হ'লহেঁতেন? তেতিয়া?

চাওক, পাঠকৰ লিখনীত এক নিৰ্দ্দিষ্ট মান বজাই ৰাখিছে, সুখপাঠ্য হৈছে। তেনেস্থলত প্ৰকাশ কৰিবলৈ ভয় খাইছো কিয়? কিয় সংকোচ কৰিছো? এয়ে নেকি সাংবাদিকতা! একেবাৰে নিৰপেক্ষ সাংবাদিকতা। এই যে সম্পাদকীয়টো লিখিছো - চৰকাৰৰ ওপৰত। খোলোছাকৈ ক'বলৈ গলে বুজিছে, চৰকাৰৰ প্ৰতি সমৰ্থন। সময় সলনি হ'ল। আনকো বচাব লাগিব, নিজেও গা বচাই চলিব লাগিব। তেনেস্থলত পাঠকৰ গল্প। একদম এপ্ৰ'প্ৰিয়েট ঠাই ডাষ্ট্‌বিন হাঁ হাঁ হাঁ। পৰিৱৰ্তন বুজিছে পৰিৱৰ্তন।●●



# শিহৰণ

*মিছ বৰ্ণালী দাস*
স্নাতক ১ম বৰ্ষ *(কলা শাখা)*
*ৰাজনীতি বিজ্ঞান (মেজৰ)*

বাৰাণ্ডাৰ এচুকত জুপুকা মাৰি বহি থকা ৰত্নেশ্বৰ হাজৰিকাৰ ক'ব নোৱৰাকৈয়ে এটি দীঘল হুমুনিয়াহ ওলাই আহিল। প্ৰকাণ্ড অট্টালিকাটোৰ সন্মুখত থকা ফুলনিখনলৈ চাই হাজৰিকাই ভাবিলে। মই বাৰু কিমানবছৰ অকলে কটালোঁ। আৰু বা কিমানবছৰ কটাবলগীয়া হয়। কি আছিল আৰু কি হৈ গ'ল কথাবোৰ ভাবিলে এনে লাগে যেন এইমাত্ৰ এখন নাটৰ যৱনিকা পৰিল।

চাকৰি জীৱনৰ দিনকেইটাত হাজৰিকাই ইমান অকলশৰীয়া অনুভৱ কৰিব পৰা নাছিল। তেওঁ এবাৰৰ বাবেও ভাবিব পৰা নাছিল যে তেওঁৰ এই প্ৰকাণ্ড অট্টালিকাটোৰ ব্যস্ততা এদিন মৰিশালিৰ নিস্তব্ধতাত পৰিণত হ'ব। চাকৰি জীৱনত হাজৰিকা আছিল বৰ ব্যস্ত। কিন্তু অৱসৰ গ্ৰহণ কৰা দিনৰে পৰা হাজৰিকা ইমান অকলশৰীয়া হৈ পৰিল যে কথা এবাৰ পাতিবলৈকো মানুহ বিচাৰি নোপোৱা হ'ল। তেখেতৰ বাবে এতিয়া এটা দিনেই এটা মাহ হৈ পৰিছে। দুখৰ ৰাতি যেন নাযায়, নুপুৱায়। কেতিয়াবা অৱশ্যে চুবুৰীৰে শৰ্মা আহে, সুখ-দুখৰ কথা পাতে। অৱশ্যে সেয়াও কাচিৎহে।

শৰ্মা একেখন কলেজৰে সহকৰ্মী অধ্যাপক আছিল। কেতিয়াবাই অৱসৰ গ্ৰহণ কৰিছে কিন্তু হাজৰিকাৰ দৰে ইমান অকলশৰীয়া নহয়। শৰ্মাৰ সকলো আছে। দুখ কি বস্তু শৰ্মাই চিনিকে নাপালে ; বুজিও নাপায়। কিন্তু হাজৰিকা শৰ্মাৰ সম্পূৰ্ণ বিপৰীত পথেৰে গতি কৰা এক নিৰ্জন পথিক আছিল! হাজৰিকাৰো সকলো আছিল। কিন্তু সকলো থাকিও আজি যেন নীড়হাৰা পক্ষী।

হকাৰে দি যোৱা বাতৰি কাকতখন হাতত তুলি লৈ হাজৰিকাই হেড্‌লাইনত চকু ফুৰালে। হত্যা-লুণ্ঠন-ধৰ্ষণ আদি খবৰেই দখল কৰিছে বাতৰিৰ হেডলাইন। খবৰ-বাতৰি লিখিবলৈ সাংবাদিকবোৰে একো খবৰ বিচাৰি নেপায় নেকি? ছিঃ-হাজৰিকাই মুখৰ ভিতৰতে ভোৰভোৰালে। কথাবোৰ আলোচনা কৰিবলৈ হাজৰিকাৰ মন যায়। কিন্তু মন গলেই হ'বনে! আগতে নাই বুলিলেও কাম কৰা ল'ৰাটোৱে আছিল। সি একো বুজি নাপালেও হাজৰিকাৰ কথাতে সন্মতি প্ৰকাশ কৰিছিল। তাৰ লগতেই দুখ-সুখৰ কথা পাতিছিল। পিছে সেইখিনিৰো মুদা মৰিল। গাঁৱৰ পৰা মাক আহি ঘৰৰ ল'ৰা ঘৰলৈ লৈ গুচি গ'ল। কথাবোৰ ভাবি ভাবি হাজৰিকাই আৰু এক দীঘল হুমুনিয়াহ কাঢ়িলে।

আজিৰ পৰা প্ৰায় ছবছৰ আগতে সম্ভ্ৰান্ত বংশৰ যৌথ পৰিয়াল এটিত হাজৰিকাই জন্ম গ্ৰহণ কৰিছিল। সৰুৰে পৰাই বহতো ভাই-ককাইৰ মাজত এক আহ ল-বহল মুকলিমূৰীয়া পৰিৱেশৰ মাজত থাকি হাজৰিকাৰ মনটোও বৰ বহল আৰু উদাৰ আছিল। কাৰোবাক সহায় কৰিব পাৰিলে হাজৰিকাই নিজকে ভাগ্যৱান বুলি বিবেচনা কৰিছিল। কিন্তু তাৰ বিনিময় কোনোদিনে বিচৰা নাছিল।

হাজৰিকাৰ কি নাছিল ? পুত্ৰ-পৰিবাৰ সহ এখন সুখৰ সংসাৰ। তিনিজন পুতেকক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তুলিছে। কোনেও চিন্তা কৰিব নলগাকৈ চহৰৰ মাজ-মজিয়াত প্ৰকাণ্ড অট্টালিকাটো সাজি থৈছে। কিন্তু হাজৰিকাৰ সপোন সপোন হৈয়ে থাকি গ'ল। এবাৰৰ বাবেও বাস্তৱত

ৰূপ নললে। জীৱনৰ আধাবয়সতে পত্নীক হেৰুৱালে। স্নেহশীলা পত্নীৰ মৰম আৰু ল'ৰাহঁতৰ ভৱিষ্যৎ সম্পৰ্কে ভাবিয়েই হাজৰিকাই দ্বিতীয়বাৰৰ কাৰণে সংসাৰ কৰাব কথা চিন্তাই নকৰিলে। হাজৰিকাই ভাবিছিল ঃ তিনিজন ল'ৰা ; তিনিজনী বোৱাৰী আহিব। সময়ত নাতি-নাতিনীৰে ঘৰখন উখল-মাখল লাগিব। কিন্তু! হাজৰিকাই হুমুনিয়াহ কাঢ়িলে।

ডাঙৰ পুতেক অমল আমেৰিকাত থাকে। বোৱাৰীয়েকে অসমৰ 'অ'টোকে দেখা নাই। মাজু পুতেক বিমল সন্ত্ৰাসবাদী, সৰু পুতেক কমল । সিও বোৱাৰীয়েকৰ মৰমৰ আতিশয্যত দেউতাকক অকলশৰীয়া কৰি ঘৰজোঁৱাই ৰূপে থাকিবলৈ ললে। যাবৰ সময়ত কমলে দেউতাকৰ চৰণ চুই সেৱা কৰিলে আৰু একান্ত বাধ্য ছাত্ৰৰ দৰে ঘৈণীয়েকৰ পিছে পিছে গৈ গাড়ীত উঠিল। সিদিনা হাজৰিকাই পুতেকক একো আশীৰ্বাদ দিব নোৱাৰিলে। সেমেকা চকুযুৰিৰে মাথোঁ দূৰৰ শূন্য আকাশলৈ চাই থাকিল। মনতে ভাবিলে ঃ সি সচাকৈয়ে পুৰুষ নে? বুকু ফুটি গলেও মুখ নুফুটা হাজৰিকাই মনৰ খং মনতে সামৰি কমলৰ জীৱনটো সুখৰ হোৱাটোকে কামনা কৰিলে। জীৱনত কেতিয়াও কাৰো অহিত চিন্তা নকৰা হাজৰিকাই জীৱনৰ এই ভাটি বয়সত ৰাজহাড়বিহীন তিৰোতা সেৰুৱা কমলৰ অহিত চিন্তা কৰি অমঙ্গল মাতিব নোৱাৰে।

কলেজৰ ছাত্ৰবোৰৰ মাজত তেওঁ আছিল সকলোৰে প্ৰিয় হাজৰিকা ছাৰ। চাৰিওফালে হাজৰিকা ছাৰ, হাজৰিকা ছাৰ। হাজৰিকা ছাৰ নহলে যেন সকলো কামেই অচল হৈ যাব। হাজৰিকা ছাৰ কলেজ সপ্তাহৰ যেন এক অবিচ্ছেদ্য অঙ্গ। ক্লাছত হাজৰিকা ছাৰ, খেলত হাজৰিকা ছাৰ, পিক্‌নিকতো হাজৰিকা ছাৰ। কিন্তু বৰ্তমান হাজৰিকা এটি অচল টকা। আজিৰ সমাজত এজন মূল্যহীন অৱসৰপ্ৰাপ্ত প্ৰৱক্তা।

হাজৰিকাই সিদিনা নিজৰ মনক সান্ত্বনা দিব পৰা নাছিল। মনত চৰম আঘাত পাইছিল। এক অসহ্য যন্ত্ৰণাত হাজৰিকাই চট্‌ফটাইছিল পুলিচ থানাত নিজহাতে লিখি দি। হাজৰিকাই লিখি দিছিল ঃ বিমলক য'তেই দেখে যেন দেখা মাত্ৰকেই গুলীয়ায়। হ'ল বুলিও নিজৰ পুত্ৰৰ কাৰণে গোটেই ঘৰখনে পুলিচ-মিলিটেৰিৰ ইমান অত্যাচাৰ সহ্য কৰিব নোৱাৰে। সময় নাই অসময় নাই যেতিয়াই তেতিয়াই পুলিচ পুলিচ পুলিচ। কিমান ল'ৰা-ছোৱালীক হাজৰিকাই মানুহ বনালে। কিন্তু নিজৰ সন্তানক সু-পথৰ সন্ধান দিব নোৱাৰিলে। এইবোৰ কথা ভাবি হাজৰিকাৰ নিজৰ ওপৰতে ধিক্কাৰ ওপজে। তেওঁ জীৱনত কি বিচাৰিছিল আৰু কি পালে। চকুৰ আগতে ল'ৰাকেইজন গজগজীয়া হৈ ঘৰৰ পৰা ওলাই গ'ল। সিদিনা জন্ম পাইছিলহে মাথোন। ল'ৰা জন্মৰ আনন্দত কলেজত পাৰ্টী দি শেষ কৰিব নোৱাৰিছিল। আৰু আজি এযাৰ কথা পাতিবলৈও যেন তেওঁৰ ওচৰত কোনো নাই। আছে মাথোঁ মৰিশালীৰ নিৰ্জনতা বিৰাজ কৰা এই বৃহৎ অট্টালিকাটো। হঠাৎ ৱালক্লকটোৱে বাৰ বজাৰ সংকেত দিলে। সংকেত পাইয়েই হাজৰিকা বাস্তৱ জগতলৈ ঘূৰি আহিল। ছেঃ কিযে কথাবোৰ ভাবি আছিল ! হাজৰিকাই নিজকে ধিক্কাৰ দিলে আৰু দীঘলকৈ হুমুনিয়াহ এটা টানি ঘৰৰ ভিতৰলৈ সোমাব খোজোতেই শুনিবলৈ পালে পদূলিত অসংখ্য মানুহৰ কোলাহল। ঘটনাটো কি তাকে জানিবলৈ দুখোজমান আগবাঢ়ি গৈছিলহে। এনেতে দুজনমান ল'ৰা সোমাই আহি "ছাৰ ছাৰ" বুলি সম্বোধন কৰি হুকহুকাই কান্দি উঠিল। হাজৰিকাই সিহঁতক একো সুধিব নৌপাওঁতেই চাৰিজন ডেকা ল'ৰাই বগা কাপোৰেৰে মৃতদেহ এটা ঢাকি লৈ আহি তেওঁৰ ওচৰতে নমালে। হাজৰিকাই মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলে। অপলক দৃষ্টিৰে মাথোন মৃতদেহটোলৈ চাই থাকিল। মৃতদেহটোৰ মুখৰ পৰা বগা কাপোৰখন গুচাই দিয়াত হাজৰিকাই এক ভয়ঙ্কৰ শিহৰণ অনুভৱ কৰিলে। হাজৰিকাই জীৱনৰ প্ৰতিটো ক্ষণতে এটা শিহৰণ অনুভৱ কৰিছিল ; কিন্তু এনেকুৱা ভয়ঙ্কৰ শিহৰণ নহয়। তেওঁ অনুভৱ কৰিলে যেন তেওঁৰ ভৰিৰ তলৰ মাটিখিনিও নাইকিয়া হৈ গৈছে। ●●

প্ৰবন্ধ

# বিপ্লৱী বিষ্ণু ৰাভা ঃ এটি সম্যক আভাস

মিছ চন্দ্ৰামিতা ঠাকুৰীয়া
স্নাতক ১ম বৰ্ষ

অসমৰ কৃষ্টি-সংস্কৃতিৰ পথাৰখন সেউজ-সুন্দৰ কৰি তুলিবলৈ জীৱনপাত কৰা বিষ্ণু ৰাভা যে অকল সংস্কৃতিৰ সাধক পুৰুষেই আছিল এনে নহয় ; তেওঁ আছিল এগৰাকী বৰেণ্য বিপ্লৱীও। বহুমুখী প্ৰতিভাৰ অধিকাৰী বিষ্ণুপ্ৰসাদ ৰাভাৰ দেহত ছাত্ৰাৱস্থাৰ পৰাই সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰৰ বিৰুদ্ধে এক বিপ্লৱৰ জোৱাৰ প্ৰৱাহিত হৈছিল। ১৯০৯ চনৰ ৩১ জানুৱাৰীৰ দিনা সুদূৰ ঢাকা চহৰত বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হৈছিল। তেওঁৰ দেউতাক আছিল সৈন্যবাহিনীৰ চুবেদাৰ। চুবেদাৰ পিতৃৰ সন্তান হিচাপে তেওঁ ৰাজসুখত থাকি জীৱন অতিবাহিত কৰিব লাগিছিল। কিন্তু দৰিদ্ৰ-নিষ্পেষিত ৰাইজৰ মুক্তিৰ চিন্তা কৰি তেওঁ ভৰি দিছিল এটি কন্টকময় পথত। যাৰ বাবে অতি মেধাৰী ছাত্ৰ হোৱা সত্ত্বেও তেওঁৰ কলেজীয়া শিক্ষাই আধৰুৱা হৈ থাকিল।

বিষ্ণুপ্ৰসাদ ৰাভাই জন্ম লাভ কৰা সময়তে ভাৰতৰ জাতীয়তাবাদী আন্দোলনে গা-কৰি উঠিছিল। তেওঁ কলিকতাৰ ৰিপন কলেজত পঢ়ি থকা কালত তাত থকা ছাত্ৰসকলৰ মাজতো ভাৰতৰ স্বাধীনতা আন্দোলনৰ ঢৌৱে খলক তুলিছিল। দেশ-মাতৃৰ মুক্তিৰ হকে তেওঁ আন্দোলনত জঁপিয়াই পৰিল। বিষ্ণু ৰাভাৰ কথা হ'ল — অহিংসই হওঁক বা সহিংসই হওক যি কোনো প্ৰকাৰে দেশ মাতৃৰ স্বাধীনতা লাগে। তেওঁ কিন্তু সহিংস সংগ্ৰামৰ ভয়াৱহ পথহে বাছি ললে। ফলত তেওঁ পুলিচৰ চোকা নজৰত পৰিল। পুলিচৰ চোকা নজৰ আৰু জেৰাৰ পৰা হাত সাৰিবলৈ তেওঁ ৰিপন কলেজ এৰিব লগীয়া হ'ল। ৰিপন কলেজ এৰি তেওঁ কোচবিহাৰৰ ভিক্টোৰিয়া কলেজত ভৰ্তি হ'লগৈ। কোচবিহাৰত সেইসময়ত ৰাজকাৰ্য পৰিচালনা কৰা বৃটিছ এজেন্ট আৰু দেশীয় ৰজাৰ বিষয়াৰ কাৰ্যকলাপ দেখি তেওঁৰ মন ঘৃণাৰে ভৰি পৰিছিল আৰু ইয়াৰ বিৰুদ্ধে তেওঁ কোচবিহাৰৰ ৰাজপ্ৰসাদৰ সদৰ দৰজাত লিখি দিছিল এইষাৰ কথা——

> "ৰাজ্যে আছে দুইটি পাঠা
> একটি কালো একটি সাদা,
> ৰাজ্যেৰ যদি মংগল চাও
> দুইটি পাঠাই বলি দাও।"

ইয়াৰ কাৰণে ৰাভাক কোচবিহাৰৰ পৰা বহিষ্কাৰ কৰিলে। তেওঁ কোচবিহাৰৰ পৰা গৈ ৰংপুৰৰ কাৰমাইকেল কলেজত ভৰ্তি হ'ল। তাত পঢ়ি থকা কালতো তেওঁ তিনিমহলীয়া প্ৰাসাদত উৰি থকা ইংৰাজৰ পতাকাৰ ঠাইত ত্ৰিবৰ্ণ পতাকা উৰুৱাই ইংৰাজৰ পতাকাখন পুৰি পেলাইছিল, যাৰ বাবে তেওঁ কাৰমাইকেল কলেজৰ পৰাও বহিষ্কৃত হৈছিল। সেই সময়তে তেওঁ "বাঁহী" আৰু "আৱাহন" নামৰ আলোচনীত প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰে।

১৯৪৫ চনত ৰাভাই বিপ্লৱী কমিউনিষ্ট পাৰ্টীত যোগদান কৰে। মাৰ্ক্সৰ দৰ্শন অধ্যয়ন কৰি তেওঁ বুজি পাইছিল যে সশস্ত্ৰ সংগ্ৰাম অবিহনে সাধাৰণ শ্ৰমজীৱী জনগণৰ মুক্তি অসম্ভৱ। সেয়ে তেওঁ হাতে-কামে, নাটক, কবিতা, প্ৰবন্ধ, গীত-মাত আদিৰে জনগণক জগাই

তুলিছিল—

"ব'ল, ব'ল, ব'ল কৃষক শক্তি দল
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল।

.......................................

ধ্বংস কৰ ধ্বংস কৰ
ধনীৰ অহংকাৰ।
দয়ামায়া নকৰিবি
ক্ষমাৰ দিন যে গ'ল
হাল, কোৰ, দা, হাতুৰী লৈ
আগবাঢ়ি যাওঁ ব'ল।"

এই নৃত্য গীতৰ মাজত গণ-মুক্তিৰ সপোন প্ৰতিফলিত হ'ব ধৰে। এখন শ্ৰেণীবিহীন, শোষণবিহীন সমাজ গঠন কৰাৰ অৰ্থে তেওঁ উদাত্ত কণ্ঠে খেতিয়ক, বনুৱাসকলক ধনীৰ ৰাজত্ব ধ্বংস কৰিবলৈ আহ্বান জনাই কৈছিল — "আজি ধনতন্ত্ৰবাদী সমাজব্যৱস্থাত আচল সমাজ, সমাজৰ মেৰুদণ্ডস্বৰূপ সৎপ্ৰকৃতিৰ খেতিয়ক বনুৱাসকলৰ দুখ-কষ্টৰ সীমা নোহোৱা হৈছে। যিমান দিনলৈকে ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থা থাকিব সিমান দিনলৈকে হালুৱা-হজুৱা-বনুৱাৰ দুখ-কষ্টৰ সীমা নোহোৱা হ'ব আৰু ধনতন্ত্ৰবাদী জীয়াই থকালৈ ইহঁতৰ দুখ মৰি গলেও ওৰ নপৰে। কিয়নো আইন যন্ত্ৰটো আজি ধনপতিহঁতৰ হাতত আছে।"

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতে স্বাধীনতা লাভ কৰে। কিন্তু কমিউনিষ্ট পাৰ্টীয়ে ইয়াক ভুৱা স্বাধীনতা বুলি অভিহিত কৰে। এই পাৰ্টীয়ে ১৯৪৮ চনত বুৰ্জোৱা চৰকাৰৰ পতন ঘটাই কৃষক-শ্ৰমিকৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ বাবে পশ্চিমবংগত সশস্ত্ৰ সংগ্ৰামৰ পথ গ্ৰহণ কৰে। অসমতো তেতিয়া এই পাৰ্টীৰ বহুতো নেতা গ্ৰেপ্তাৰ হয়। পাৰ্টীৰ নিৰ্দেশত বিষ্ণু ৰাভাই আত্মগোপন কৰি থাকিব লগীয়া হয়।

বিষ্ণুৰাভাৰ আত্মগোপনৰ কালছোৱা হ'ল ১৯৪৮-৫২। এই কালছোৱাত তেওঁ অসমৰ বিশাল প্ৰান্তৰৰ কৃষকসকলৰ মাজত সোমাই পৰে। অসমৰ প্ৰায়বোৰ গাঁওৰেই তেওঁ ভ্ৰমণ কৰিছিল। এনেদৰে ফুৰোঁতে পুলিচৰ হাত সাৰিবলৈ কেতিয়াবা কেতিয়াবা পথাৰৰ মাজেৰে, কেতিয়াবা আকৌ গভীৰ অৰণ্যৰ মাজেদি বিপদ সংকুল পথ অতিক্ৰম কৰিবলগীয়া হৈছিল। মাৰ্ক্সবাদ আৰু লেলিনবাদত দীক্ষিত বিষ্ণু ৰাভাই জনতাৰ মুক্তিৰ বাবেই নিজৰ সকলো সুখ-বৈভৱ ত্যাগ কৰি এনেদৰে ভয়াৱহ পথত ভৰি দিছিল। কৃষক-শ্ৰমিকৰ ৰাজনৈতিক চেতনা জগাই তুলিবৰ বাবে তেওঁ যি জ্বালাময়ী ভাষণ দিছিল আৰু অগ্নিবৰষা গান গাইছিল সিয়ে অসমৰ আকাশ-বতাহ কঁপাই তুলিছিল। সমল হিচাপে হাতত তুলি লৈছিল বন্দুক, কলম আৰু তুলিকা।

১৯৫০ চনৰ ২৬ জানুৱাৰীত গণতন্ত্ৰ দিৱসৰ দিনা টিহুৰ ওচৰৰ দিঘেলীত ক'লা পতাকা উত্তোলন কৰি ধ্বনি দিয়া হৈছিল "ইয়ে আজাদী ঝুথা হায়"। এই ঘটনাৰ অন্তৰালত ৰাভাৰ হাত থকাত চৰকাৰে তেওঁৰ মূৰৰ দাম দহ হাজাৰ টকা ঘোষণা কৰিছিল। বিপ্লৱী কমিউনিষ্ট দলৰ সশস্ত্ৰ কৰ্মসূচী ব্যৰ্থ কৰিবৰ কাৰণে ৰাষ্ট্ৰযন্ত্ৰই সামৰিক অভিযান চলালে। ফলত বহুতো কৃষক-শ্ৰমিকৰ মৃত্যু ঘটিল। অৱশেষত ৰাভাকো গ্ৰেপ্তাৰ কৰি জেলত থোৱা হৈছিল। ১৯৫৫ খৃঃ ত বিপ্লৱী কমিউনিষ্ট পাৰ্টীৰ একাংশ সদস্যই ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ লগত চামীল হোৱাৰ সিদ্ধান্ত লয় আৰু সেই অনুসৰি ভাৰতৰ কমিউনিষ্ট পাৰ্টীত তেওঁ যোগদান কৰে। সেই পাৰ্টীৰ প্ৰাৰ্থীৰূপে তেওঁ নিৰ্বাচনত প্ৰতিদ্বন্দিতাও কৰিছিল।

বিপ্লৱী কমিউনিষ্ট পাৰ্টীৰ অন্তৰ্গত সংগ্ৰামী গণ সংগঠন- অসম কৃষক পঞ্চায়ত, নাৰী মুক্তি সংঘ, বিপ্লৱী ছাত্ৰ সংঘ আদি সংগঠনবোৰক তেওঁ ষ্টেনগান, কলম আৰু তুলিকাৰে প্ৰাণৱন্ত আৰু গতিশীল কৰি তুলিছিল। এইগৰাকী সংগ্ৰামী জননেতাৰ ১৯৬৯ খৃঃৰ ২০ জুন তাৰিখে পৰলোক প্ৰাপ্তি ঘটে। বিষ্ণু ৰাভাদেৱ আজি আমাৰ মাজত নাই। কিন্তু তেওঁৰ বিপ্লৱী সত্তাই আজিও কৃষক-শ্ৰমিক তথা নিৰক্ষৰ জনগণক প্ৰেৰণা যোগাই আছে। ●●

(প্ৰবন্ধটি যুগুত কৰোতে বিভিন্ন সমলৰ সহায় লোৱা হৈছে।)

# সপোন ঃ এক মনোবৈজ্ঞানিক বিশ্লেষণ

*বিজয়া ডেকা*
প্ৰবক্তা, শিক্ষা বিভাগ।

মানুহৰ মন বিচিত্ৰ অভিজ্ঞতাৰ ভঁৰাল স্বৰূপ। পোৱা-নোপোৱা, আনন্দ-বেদনাৰে ভৰা নানান অভিজ্ঞতাৰে প্ৰতিজন ব্যক্তিয়ে তেওঁৰ জীৱন-বাটত আগুৱাই যায়। এই অভিজ্ঞতাৰ তালিকাখনত নিশ্চয় প্ৰতিজন ব্যক্তিয়ে সপোনৰ অভিজ্ঞতাও লাভ কৰে। সেয়ে সপোন সকলোৰে বাবেই পৰিচিত।

দৈনন্দিন জীৱনত আমি নানান অভিজ্ঞতা লাভ কৰোঁ। এই অভিজ্ঞতাৰ বিভিন্ন ছাপ আমাৰ মনৰ মাজত ৰৈ যায়। প্ৰত্যক্ষবস্তু আমাৰ সমুখৰ পৰা আঁতৰি যোৱাৰ পাছতো তাৰ এটা প্ৰতিচ্ছবি আমাৰ মনত ৰৈ যায়। মনৰ মাজত ৰৈ যোৱা এই প্ৰতিচ্ছবিয়েই হৈছে প্ৰতিৰূপ (Image)। এই প্ৰতিৰূপৰ সহায়ত আমি স্মৃতি ৰোমন্থন কৰিব পাৰোঁ। আকৌ ইয়াৰ সহায়ত আমি কল্পনাও কৰিব পাৰোঁ। বাস্তৱিকতে স্মৃতিৰ ক্ষেত্ৰত প্ৰতিৰূপৰ সাল-সলনি নঘটে আৰু কল্পনাৰ ক্ষেত্ৰত নতুনৰ সমাহাৰ ঘটে।

সপোনক একপ্ৰকাৰ কল্পনা বুলিব পাৰি। কিন্তু ই স্বাভাৱিক নহয়। ই হ'ল অস্বাভাৱিক কল্পনা। সাধাৰণতে গভীৰ টোপনিত আমি সপোন নেদেখো অথবা জাগ্ৰত অৱস্থাতো সপোনৰ কোনো অৱকাশ নাই। জাগ্ৰত আৰু সুষুপ্তিৰ মাজৰ অৱস্থাতহে সপোন দেখা যায়। সপোনৰ বৈশিষ্ট্য এয়ে যে সাৰ নোপোৱালৈকে সপোনত দেখা বস্তুবিলাক আমাৰ আগত প্ৰত্যক্ষ বস্তুৰদৰেই সজীৱ আৰু স্পষ্ট হৈ থাকে। সাৰ পালেহে সি যে সপোন আছিল বাস্তৱ নহয় সেই কথা ধৰিব পাৰি। সপোন আনন্দদায়ক অথবা বেদনাদায়ক হ'ব পাৰে। কিছুমান সপোন দেখিলে আমাৰ ইমান ভাল লাগে যে সাৰ পোৱাৰ পিছতো পুনৰ জোৰ কৰি চকু দুটা মুদি দিওঁ যাতে সপোনটো আকৌ দেখো। সেইদৰে সুখদায়ক অথবা ভয়ানক সপোন দেখিলে আমি ইমান ভয় খাওঁ যে সাৰ পোৱাৰ পাছত আমি স্বস্তিৰ নিশ্বাস পেলাওঁ এই ভাবি যে ঘটনাটো বাস্তৱত নহয়, সপোনহে আছিল। তথাপিতো বুকুৰ ধপ্‌ধপনিয়ে বহু সময়জুৰি ক্ৰিয়া কৰি থাকে। কোনো কোনো সপোনে তাৰ সজীৱতা, স্পষ্টতা আৰু বৈচিত্ৰ্যৰ কাৰণে মনত দকৈ সাঁচ বহুৱায় আৰু ই বহুত দিনলৈ মনত থাকে।

সপোন কোনো নিয়মৰ বশৱৰ্তী নহয়। সেয়ে একে সময়তে আমি নানান ঠাই বিচৰণ কৰি ফুৰা সপোন দেখো। চিনেমাৰ নায়ক-নায়িকা হৈ ৰাইজৰ সমাদৰ পোৱা, মন্ত্ৰী-বিষয়া হৈ ৰাজ্য শাসন কৰা, জাহাজত উঠি বিশাল জলৰাশি পাৰ হোৱা, উৰাজাহাজৰ পাইলট হোৱা, পানীত পৰি কক্‌বকাই থকা আদি সপোন দেখিব পাৰোঁ। এইবোৰৰ কাৰণ বিশ্লেষণ কিছু জটিল ধৰণৰ।

সৰ্বসাধাৰণৰ ধাৰণা যে আমি সাধাৰণতে বাহ্যিক, দৈহিক আৰু মানসিক কাৰণত সপোন দেখা পাওঁ। সামান্য একোটা বাহ্য উদ্দীপকৰ আলম লৈ কল্পনাই সপোনত একো একোটা অভিনৱ ঘটনা সৃষ্টি কৰে। ৰাতি ক'ব নোৱাৰাকৈ বিজুলী চাকি জ্বলাই শুই থকা ব্যক্তিয়ে ঘৰত জুই লগা সপোন দেখিব পাৰে। বুকুৰ ওপৰত হাত ৰাখি শুই থাকিলে হাতৰ হেঁচাত যি সংবেদন হয়, তাকে আলম কৰি নানা ধৰণৰ সপোন দেখা যায়। বেছিভাগ ক্ষেত্ৰতে সপোনত বাহ্য উদ্দীপক নাথাকে। সেইবোৰ ক্ষেত্ৰত অমূল প্ৰত্যক্ষকেই

সপোনৰ কাৰণ বুলিব পাৰি। কেতিয়াবা আকৌ ভ্ৰান্তি আৰু অমূল প্ৰত্যক্ষ এই দুয়োটা সংমিশ্ৰিত হৈ সপোনৰ সৃষ্টি কৰে।

শৰীৰ অসুস্থ থাকিলে সাধাৰণতে টোপনিত ব্যাঘাত জন্মে আৰু গভীৰ টোপনি নাহিলেই মনোৰাজ্যত সপোনৰ আধিপত্য প্ৰবল হয়। টোপনিত উশাহ-নিশাহ লোৱাত কোনো বাধা পালে বুকুত কোনোবাই আঘাত কৰা বা হেঁচামাৰি ধৰা সপোন দেখা যায়। পিয়াহ লাগিলে নৈৰ বা পুখুৰীৰ সপোন দেখা যাব পাৰে।

কেতিয়াবা আকৌ জাগ্ৰত অৱস্থাৰ চিন্তা, আৱেগ আৰু ইচ্ছাৰ প্ৰাৱল্যৰ বাবেও নানা প্ৰকাৰৰ সপোন দেখা যায়।

যেনে – দিনত ফুটবল খেল উপভোগ কৰি আহি ৰাতি টোপনিত এজন ব্যক্তিয়ে "গ'ল" "গ'ল" বুলি চিঞৰিব পাৰে। দিনত বন্ধুৰ লগত কাজিয়া লগা কিশোৰ এজনে ৰাতি সপোনত "মোৰ দোষ নাই, মই নহয়, মই নহয়" বুলি ফেঁকুৰি উঠিব পাৰে। হত্যা, লুণ্ঠন আদিৰে ভৰা বাতৰি কাকত পঢ়ি ৰাতি সপোনত এজন ব্যক্তিয়ে তেওঁক পুলিচে বিচাৰি ফুৰা সপোন দেখিব পাৰে। পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীয়ে পৰীক্ষা সম্বন্ধীয় নানা সপোন দেখিব পাৰে, যেনে – তেওঁলৈ প্ৰশ্ন কাকত ভাগত নহা, পৰীক্ষাৰ তিনিটা ঘন্টা অতিক্ৰম হোৱাতো তেওঁ এটা প্ৰশ্নৰো উত্তৰ কৰিব নোৱৰা বা কলম বিচাৰি নোপোৱা আদি। এনেবোৰ সপোনৰ কাৰণ মানসিক দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিব পাৰি।

মনোবিজ্ঞানী ফ্ৰয়েডে মনোবিশ্লেষণ সম্বন্ধে যথেষ্ট অধ্যয়ন কৰিছিল। এই ক্ষেত্ৰত সপোন সম্বন্ধেও তেওঁ মতামত আগবঢ়াইছিল। তেওঁ সপোনৰ স্বৰূপ আৰু কাৰণ সম্বন্ধে মনোবৈজ্ঞানিক দৃষ্টিভংগী দাঙি ধৰিছিল এনেদৰে যে– 'সপোন নিৰৰ্থক, নিশ্চেষ্ট বা নিষ্ক্ৰিয় কল্পনাৰ জাল নহয়। ই গূঢ় অৰ্থপূৰ্ণ আৰু উদ্দেশ্যমূলক। আমাৰ মনৰ তিনিটা স্তৰ আছে। যেনে– চেতন, অৱচেতন আৰু নিৰ্জ্জান। সপোনৰ প্ৰতিৰূপবোৰ সাধাৰণতে মানুহৰ মনৰ নিৰ্জ্জান স্তৰৰ দ্বাৰা সঞ্চালিত আৰু নিয়ন্ত্ৰিত হয়।

সকলো মানুহৰে মনত নানানধৰণৰ কামনা-বাসনা উদয় হয়। কিন্তু আটাইবোৰ পূৰণ কৰিব নোৱাৰি। কিছুমান আশা অপূৰণীয় হৈ অচেতন মনত অৱদমিত হৈ থাকে। কৰ্মব্যস্ত চেতন মনক এনে অৱদমন কাৰ্য্যৰ দ্বাৰা অপূৰণ কামনাৰ পৰা প্ৰভাৱমুক্ত কৰি ৰখা হয়। কিন্তু চেতনমনে যেতিয়া নিদ্ৰালু অৱস্থাত অৱসৰ গ্ৰহণ কৰে তেতিয়া অচেতন মনৰ সেই অৱদমিত উপাদানসমূহ সপোনৰ যোগেদি অৱচেতন মনত আত্মপ্ৰকাশ কৰিবলৈ বিচাৰে। তেনেক্ষেত্ৰত উপাদানসমূহে কেতবোৰ প্ৰতীকৰ সহায় লয়।

ফ্ৰয়েডৰ মতে, সপোনে আমাৰ নিদ্ৰাত কোনো বাধা-বিঘিনিৰ সৃষ্টি নকৰে, বৰং নিদ্ৰা যাতে বাধাগ্ৰস্ত নহয় তাৰ বাবে সহায়হে আগবঢ়ায়। যেনে – ঘড়িৰ এলাৰ্মৰ শব্দ টোপনি বিঘ্নকাৰক। কিন্তু তাৰ পৰা সৃষ্ট সপোন যেনে – কোনো এটা ঘৰত জুই লাগিছে আৰু অগ্নিনিৰ্বাপক মটৰ গাড়ী দ্ৰুত গতিত গৈ আছে, – এই ব্যাখ্যা সৃষ্টি কৰি সপোনে টোপনিক বিঘিনিৰ পৰা ৰক্ষা কৰিলে। অৰ্থাৎ সপোনে নিদ্ৰাৰ প্ৰহৰীৰূপে কাম কৰে।

আনহাতে সপোন মানুহৰ অতৃপ্ত বাসনাসমূহৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে হোৱা সন্তুষ্টি বা পৰিতৃপ্তি। আমাৰ কামনা-বাসনাবোৰৰ অধিকাংশৰেই প্ৰধান উৎস হৈছে যৌন তাড়না। মানুহ সমাজপ্ৰিয় প্ৰাণী। গতিকে সমাজৰ ৰীতি-নীতি মানি চলোঁতে মানুহৰ যৌন প্ৰবৃত্তিৰ অবাধ পৰিতৃপ্তি প্ৰৱলভাৱে বাধাগ্ৰস্ত হয় আৰু এই অতৃপ্ত বাসনাবোৰ অৱদমন কৰি ৰাখিব লগা হয়। এই যৌন প্ৰবৃত্তিৰ অতৃপ্ত বাসনাবোৰে স্ব-ৰূপ বা ছদ্মৰূপ লৈ সপোনত সন্তুষ্টি লাভ কৰে। অৰ্থাৎ যৌন প্ৰবৃত্তিৰ অৱদমিত অতৃপ্ত বাসনাবোৰে সপোনত পৰিতৃপ্তি লাভ কৰে। এই অতৃপ্ত বাসনাবোৰৰ সপোনৰ জৰিয়তে আত্মপ্ৰকাশ আৰু পৰিতৃপ্তিৰ প্ৰকৃতি অনুসৰি ফ্ৰয়েডে সপোনক –

(ক) অতৃপ্ত বাসনাৰ পোনপটীয়া পৰিতৃপ্তি,

(Direct fulfilment of unrepressed wishes)

(খ) অৱদমিত অতৃপ্ত বাসনাৰ পোনপটীয়া বা সাক্ষাতভাৱে পৰিতৃপ্তি, (Direct fulfilment of repressed wishes)

(গ) অৱদমিত অতৃপ্ত বাসনাৰ পৰোক্ষভাৱে পৰিতৃপ্তি,

(Indirect fulfilment of repressed wishes) হিচাপে তিনিটা ভাগত ভাগ কৰিছে। এইবোৰৰ বিশ্লেষণ

এনেধৰণৰ — শিশুৱে তাৰ অপূৰ্ণ বাসনাবোৰক অৱদমন নকৰে। সেয়ে শিশুৰ অৱদমিত বাসনাবোৰে সপোনৰ মাধ্যমত পোনপটীয়াভাৱে পৰিতৃপ্তি লাভ কৰে। পেটপূৰাই ভাত খাবলৈ নোপোৱা শিশুৱে মাছ-মঙহেৰে উদৰ পূৰাই ভাত খোৱা সপোন দেখিব পাৰে। স্কুটাৰ-বাছ আদিত উঠিবলৈ ইচ্ছা থকা শিশুৱে সপোনত স্কুটাৰ-বাছ আদিত ঘূৰি ফুৰিব পাৰে।

কিন্তু পৰিণত বয়স্ক মানুহৰ সকলো বাসনা বা ইচ্ছা শিশুৰদৰে নিৰ্দোষ নহয়। পৰিণত বয়স্ক মানুহৰ মনত কিছুমান এনে ধৰণৰ বাসনা থাকে যিবোৰ ইমান হীন আৰু স্বাৰ্থপ্ৰণোদিত যে সেইবোৰ আনৰ পৰা, আনকি নিজৰ স্পষ্ট সংজ্ঞাৰ পৰাও গোপনে ৰাখিবলৈ চেষ্টা কৰা হয়। টোপনিৰ আলজালত বিবেক-ৰূপী প্ৰহৰীৰ শাসন বা পহৰা শিথিল হ'লে সপোনত সেই অৱদমিত বাসনাবোৰে তৃপ্তি লাভ কৰে। কেতিয়াবা এই বাসনাবোৰে ছদ্মৰূপ ধাৰণ কৰিও সপোনত দেখা দিব পাৰে।

নিৰ্জ্জান স্তৰত থকা অৱদমিত বাসনাবোৰে নানা কৌশল অৱলম্বন কৰি ব্যক্তৰূপ ধাৰণ কৰে আৰু চেতন স্তৰত আহি পৰিতৃপ্তি লাভ কৰে। এই কৌশলবোৰৰ মাজত প্ৰধান হৈছে প্ৰতীকতা বা প্ৰতীকবাদ (Symbolism)। বিভিন্ন প্ৰতীকৰ সহায়ত ছদ্মৰূপ ধাৰণ কৰি বিবেকৰূপী প্ৰহৰীক ফাঁকি দি নিৰ্জ্জান স্তৰৰ বাসনাবোৰ চেতন স্তৰত প্ৰকাশ কৰে। ফ্ৰয়েডে প্ৰতীকৰ এখন তালিকাও প্ৰকাশ কৰে। উদাহৰণ স্বৰূপে - ৰজা-ৰাণী হ'ল মা-দেউতাৰ প্ৰতীক ; কুকুৰ-মেকুৰী সৰু ভাই-ভনীৰ প্ৰতীক ; সেইদৰে ভ্ৰমণৰ দৃশ্য মৃত্যুৰ প্ৰতীক ; পানীৰ দৃশ্য জন্মৰ প্ৰতীক ; সাপ, কল, পেঞ্চিল আদি পুং জননেন্দ্ৰিয়ৰ প্ৰতীক, জাহাজ, বাকছ আদি স্ত্ৰী জননেন্দ্ৰিয়ৰ প্ৰতীক ইত্যাদি।

প্ৰতীকৰ বাহিৰেও নানান প্ৰক্ৰিয়াৰে নিৰ্জ্জানস্তৰত থকা সপোনৰ প্ৰকৃতৰূপ আবৃত হৈ চেতন স্তৰত আহি প্ৰৱেশ কৰে। কেতিয়াবা অৱদমিত বাসনাবোৰে সংক্ষিপ্ত ৰূপত আৰু কেতিয়াবা ওলোটা ৰূপত, কেতিয়াবা নাটকীয় ৰূপত, কেতিয়াবা সূক্ষ্মৰূপত আহি সপোনত দেখা দিব পাৰে। এনেদৰে সপোন সম্বন্ধে ফ্ৰয়েডে যি বিশ্লেষণাত্মক দৃষ্টিভংগী দাঙি ধৰিছিল সি মৌলিক আৰু বৈপ্লৱিক।

অৱশ্যে আমাৰ সকলো সপোন অতৃপ্ত বাসনা সংশ্লিষ্ট নহয়। বহুতো সপোনত আমাৰ কোনো বাসনাকেই বিচাৰি পোৱা নাযায়। মনোবিজ্ঞানী এড্‌লাৰৰ (Adler) মতে, সপোন কোনো বাধাপ্ৰাপ্ত বা ব্যাহত আত্ম প্ৰতিষ্ঠা (self-assertion) প্ৰবৃত্তিৰ পৰিতৃপ্তি। সেইদৰে যুঙৰ (Jung) মতে, সপোনে আমাৰ অতীত জীৱনৰ অৱদমিত বাসনাবোৰতকৈ বৰ্তমানৰ বিভিন্ন সমস্যাৱলীৰহে বেছি ইঙ্গিত দিয়ে। তেওঁ "নিৰ্জ্জান" আৰু "কাম" শব্দ দুটা বহল অৰ্থত ব্যৱহাৰ কৰে। তেওঁৰ মতে "নিৰ্জ্জান" জাতিগতহে ব্যক্তিগত নহয়। "কাম" বুলিলে অকল যৌন কামনাকেই নহয়, যিকোনো জৈৱ শক্তিকেই বুজায়।

আকৌ মনোবিজ্ঞানী মেকডুগালে উল্লেখ কৰে যে ফ্ৰয়েডৰ ব্যাখ্যা কোনো কোনো ক্ষেত্ৰত প্ৰযোজ্য হ'ব পাৰে সঁচা, কিন্তু সকলো ক্ষেত্ৰতে সমানে প্ৰযোজ্য হ'ব নোৱাৰে। সপোন সম্বন্ধে ফ্ৰয়েডৰ মতবাদ মানসিক বিকাৰগ্ৰস্ত ৰোগীৰ চিকিৎসাৰ ফলাফলৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু বিকাৰগ্ৰস্ত লোকৰ সপোনৰ বিশ্লেষণ কৰি সুস্থ লোকৰ সপোনৰ বিচাৰ কৰা উচিত নহয়।

আকৌ বিজ্ঞানে বিশ্বাস নকৰা বা বৈজ্ঞানিক দৃষ্টিভংগীৰে ঢুকি নোপোৱা সপোনৰ আন কিছুমান কাৰণো আছে। স্বপ্নাদেশ, সপোনত ভৱিষ্যতৰ ইঙ্গিত আদিক একেবাৰে উলাই কৰিব নোৱাৰি আৰু এনে আধ্যাত্মিক অভিজ্ঞতাৰ অনেক স্পষ্ট প্ৰমাণ পোৱা যায়। এইবোৰ কোনো নিৰ্দিষ্ট সূত্ৰত আৱদ্ধ কৰিব নোৱাৰি আৰু ই ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত কাৰণে তাৰ বৈজ্ঞানিক আলোচনাও কৰিব নোৱাৰি।

সি যি কি নহওক, আমি যি কাৰণতে সপোন নেদেখো কিয়, অতৃপ্ত কামনা-বাসনাৰে আগুৰি থকা আমাৰ মনৰ গুৰুভাৰ সপোনৰ ফলত কিছু পৰিমাণে হলেও লাঘৱ হয়। আনহাতে, সপোন বিশ্লেষণৰ দ্বাৰা নিৰ্জ্জান মনৰ অস্তিত্ব সম্বন্ধেও ভালেখিনি জ্ঞান আহৰণ কৰিব পাৰি। ●●

*(সহায় লৈ)*

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে দেশ-মাতৃৰ বেদীত প্ৰাণাহুতি দিয়া বীৰ- বীৰাঙ্গনাসকললৈ মোৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি যাঁচি সম্পাদকীয় প্ৰতিবেদন লিখিবলৈ হাতত কাপ তুলি লৈছোঁ।

প্ৰতিবাদ কাৰ্যসূচীৰ জৰিয়তে মোৰ কাৰ্যকাল আৰম্ভ কৰিবলগীয়া হোৱাত মই অতিকৈ দুঃখিত। এইবেলি স্নাতক পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণত গুৱাহাটী বিশ্ববিদ্যালয়ে অত্যধিক মাচুল ধাৰ্য্য কৰাত ইয়াৰ প্ৰতিক্ৰিয়া অন্যান্য মহাবিদ্যালয়সমূহৰ লগতে বকো জে. এন. মহাবিদ্যালয়তো অনুভূত হয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও ছয়ঘণ্টীয়া অৱস্থান ধৰ্মঘট, প্ৰতিবাদ সভা আদিৰ জৰিয়তে এই প্ৰতিবাদ কাৰ্যসূচী পালন কৰে।

**বছৰটোৰ ৰেঙণি :** (ক) কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ "মহাবিদ্যালয় সপ্তাহ" ১৯ জানুৱাৰীত আৰম্ভ কৰা হয় আৰু ২৭ জানুৱাৰীত বঁটা বিতৰণী আৰু মুকলি সভাৰ জৰিয়তে সমাপ্ত কৰা হয়।

(খ) আন আন বছৰৰ দৰে এইবেলিও ১ ফেব্ৰুৱাৰীৰ দিনা শ্ৰীশ্ৰী আই সৰস্বতীৰ পদ-যুগলত অতি উলহ-মালহেৰে পুষ্পাঞ্জলি প্ৰদান কৰা হয়।

(গ) ১৭ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত বিশ্বৰ সৃষ্টিকৰ্তা শ্ৰীশ্ৰীবিশ্বকৰ্মাৰ শ্ৰীচৰণত পুষ্প নিবেদনৰ লগতে এখনি প্ৰীতি সন্মিলন অনুষ্ঠিত কৰা হয়।

(ঘ) ১৮ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হয়। মুকলি সভাত দক্ষিণ-পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ তৰফৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা আৰু বিজ্ঞান শাখাত সৰ্বোচ্চ নম্বৰ পোৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হয়।

(ঙ) জৱাহৰলাল নেহৰু মহাবিদ্যালয় একতা সভাৰ উদ্যোগত সদৌ অসম ভিত্তিত এখনি আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ১৮/১১/৯৮ ইং তাৰিখে অনুষ্ঠিত এই প্ৰতিযোগিতাখন অতি উচ্চমানৰ আছিল। তদুপৰি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃজিলা তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰই দ্বিতীয় স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।

(চ) আমাৰ সৌভাগ্য যে এইবেলি আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো চৰকাৰীকৰণ হয়। লগতে এইবেলি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰ শ্ৰীদিগ্বিজয় ৰায়ে স্নাতক (বিজ্ঞান) পৰীক্ষাত গণিত মেজৰত প্ৰথম শ্ৰেণী অধিকাৰ কৰি মেজৰত প্ৰথম শ্ৰেণী পোৱা মহাবিদ্যালয়ৰ প্ৰথমগৰাকী স্নাতক হিচাপে পৰিগণিত হয়।

(ছ) ৰেগিং ব্যাধিৰ পৰা ছাত্ৰ-ছাত্ৰীক আঁতৰত ৰাখিবলৈ গ্ৰহণ কৰা দৃঢ় পদক্ষেপ আমাৰ কাৰ্য্যকালৰ এটি উল্লেখযোগ্য দিশ বুলি ক'ব প্যাৰি।

**বিদায় সম্ভাষণ :** আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ তিনিগৰাকী জ্যেষ্ঠ তথা কৃতী অধ্যাপকে অৱসৰ গ্ৰহণ কৰে। চিৰ-নমস্য এই ব্যক্তিকেইগৰাকী হ'ল অসমীয়া বিভাগৰ মুৰব্বী তথা উপাধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষৰ পদ অলংকৃত কৰা শ্ৰদ্ধাৰ শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱ, অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক শ্ৰীযুত মদন চন্দ্ৰ কাকতিদেৱ আৰু অসমীয়া বিভাগৰ মুৰব্বী তথা উপাধ্যক্ষ আৰু কিছুকাল ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰা শ্ৰীযুত ধৰ্মকান্ত বৰুৱাদেৱ। তেখেতসকলক আনুষ্ঠানিকভাৱে ছাত্ৰ-ছাত্ৰীৰ পৰা বিদায় সম্ভাষণ জনোৱা হয়। আমি ছাত্ৰ-ছাত্ৰীসকলে তেখেতসকলৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছোঁ।

**আদৰণি সভা :** মহাবিদ্যালয়লৈ অহা নৱাগত অধ্যক্ষ শ্ৰীযুত শৰৎ চন্দ্ৰ হাজৰিকা দেৱক আদৰণি জনাবলৈ যো-জা কৰোঁতেই তেখেতে প্ৰত্যাৱৰ্তন কৰাত তেখেতক আদৰণি জনাব পৰা নহ'ল। তেখেতৰ পৰৱৰ্তী অধ্যক্ষ ড° ৰমাকান্ত বৰুৱাদেৱক ছাত্ৰ একতাৰ তৰফৰ পৰা আন্তৰিক আদৰণি জনোৱা হয়।

**শোক সভা :** আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা মহাবিদ্যালয়ৰ ছাত্ৰ দিগন্ত কুমাৰ কলিতা আৰু মঃ মনোৱাৰ আলীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰা হয় আৰু শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন

কৰা হয়। তদুপৰি বকো অঞ্চলৰ প্ৰবীণ স্বাধীনতা সংগ্ৰামী শ্ৰীযুত নবীন কলিতাদেৱ, দৰদী শিল্পী দিদিপ দত্ত, প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীকেশৱ চন্দ্ৰ গগৈৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোক-সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

**মহাবিদ্যালয়ৰ অভাৱ-অভিযোগ আদি ঃ** ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰি সোণালী জয়ন্তী উদ্‌যাপনৰ পথত অগ্ৰসৰ হোৱা আমাৰ মহাবিদ্যালয়খনে এতিয়াও পূৰ্ণতা লাভ কৰা নাই। ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা ভালেমান অভাৱ-অভিযোগ এতিয়াও পূৰণ হোৱা নাই। কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰাৰ অৰ্থে কেইটামান অভাৱ-অভিযোগ দাঙি ধৰা হ'ল। এইকেইটা হ'ল — শ্ৰেণী কোঠা বৃদ্ধি কৰা, ছাত্ৰী-জিৰণি কোঠা আৰু ছাত্ৰ-জিৰণি কোঠাৰ সু-ব্যৱস্থা কৰা, ছাত্ৰাবাস আৰু ছাত্ৰীবাসৰ ব্যৱস্থা কৰা, বিজ্ঞান শাখাৰ পৰীক্ষাগাৰৰ সা-সামগ্ৰীৰ নিয়মিত যোগান ধৰা, চৌহদৰ পকীবেৰ নিৰ্মাণ, চাইকেল ষ্টেণ্ডৰ ব্যৱস্থা কৰা, আহল-বহল পুথিভঁৰালৰ ব্যৱস্থা কৰা, শৌচাগাৰ নিৰ্মাণ কৰা আদি। আশা ৰাখিছোঁ কৰ্তৃপক্ষই এই অভাৱ মোচনৰ বাবে যত্নৰ ক্ৰুটি নকৰিব।

**কৃতজ্ঞতা আৰু শলাগ ঃ** যিসকল ছাত্ৰ-বন্ধু আৰু ছাত্ৰী-বান্ধৱীৰ বিপুল সমৰ্থনত আজি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন যুগুত কৰিবলৈ সুবিধা পালো সেইসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক পোনতে মোৰ কৃতজ্ঞতা যাঁচিছো।

কাৰ্যকালত মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত পোৱা অধ্যক্ষ ক্ৰমে শ্ৰদ্ধাৰ শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱ, শ্ৰীযুত শৰৎ হাজৰিকা দেৱ, শ্ৰীযুত ধৰ্মকান্ত বৰুৱাদেৱ আৰু ড° ৰমাকান্ত বৰুৱাদেৱৰ পৰা পোৱা সজ পৰামৰ্শ আৰু সহায়ৰ বাবে তেখেতসকললৈ মোৰ কৃতজ্ঞতা জনাইছোঁ।

মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাত উপস্থিত থাকি আমাক উৎসাহ যোগোৱাৰ বাবে কবি পদ্মশ্ৰী নীলমণি ফুকন ছাৰ, মঃ তাহেৰ ছাৰ, শ্ৰীযুত যতীন বৰুৱা ছাৰলৈ আমাৰ সশ্ৰদ্ধ কৃতজ্ঞতা যাঁচিছো।

নৱাগত আদৰণি সভাত উপস্থিত থাকি আমাক উৎসাহিত কৰা এই মহাবিদ্যালয়ৰে প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱ, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীযুত সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য আৰু জিলা ছাত্ৰ সন্থাৰ সভাপতি মনোজ শইকীয়াৰ শলাগ লৈছোঁ।

মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী বৃন্দলৈকো মোৰ কৃতজ্ঞতা যাঁচিছো।

বিভিন্ন দিশত সৎপৰামৰ্শ দি সহায় কৰা বাবে দক্ষিণ-পশ্চিম কামৰূপ ছাত্ৰ-সন্থাৰ সভাপতি নিৰ্মল বাভা আৰু সম্পাদক সুশীল পাটোৱাৰীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোক বিভিন্ন দিশত সহায় কৰা বন্ধু-বান্ধৱী ক্ৰমে — মুকুট, জিতু, কিশোৰ, ডম্বৰু, বিদিপ, দেৱ, চন্দন, বাবুল, খৰ্গেশ্বৰ, প্ৰদীপ, প্ৰশান্ত, ইন্দ্ৰজিৎ, কেশৱ, জাহিৰুদ্দিন, সত্যজিৎ, বিভূতি, নলিনী, হেমন্ত, মানিক, প্ৰাঞ্জল, দ্বীপেন, পৰীক্ষিত, প্ৰাঞ্জল, পলাশ, নিবাৰণ, ৰূপম, জ্যোতি, বলেন, নৃপেন, ৰতন, পুলেন, অনিল, জিতু, ধনঞ্জয়, থানেশ্বৰ, দধিমোহন, তাহেৰা, সত্যৱতী, সৰযু, ইলা, বৰ্ণালী, নিতু, ইন্দিৰা, বিনীতা, দীপাঙ্কৰ, ধৰিত্ৰী, গীতি, পাৰুল, ৰীমা, বুবু, উমা, স্বৰ্ণালী, গীতালি, সত্যৱতী, সংগীতা, মীৰা, মামণি, বৰ্ণালী, মীনাক্ষি, মলয়া, ইৰাৱতী, ভানু, নীলিমা, আৰতি, বিমলা, লক্ষ্মী, পপী, মুকুতামণি, জ্বলিমণি, নিতুমণি, কৃষ্ণামণি, নন্দিতা, চন্দনালৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কাৰ্যকালত বিভিন্ন দিশত উপদেশ দি সহায় কৰা শ্ৰদ্ধাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বসন্ত কুমাৰ দত্ত ছাৰ, উপাধ্যক্ষ দেৱেন্দ্ৰ নাথ শৰ্মা ছাৰ আৰু অধ্যাপক শ্ৰীযুত নবীন মুদিয়াৰ ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ।


বুদ্ধদেৱে কৈছিল "আনৰ দোষ দেখাটো সহজ কাম কিন্তু নিজৰ দোষ নিজে দেখাটো সহজ নহয়।" সেয়েহে কাৰ্যকালছোৱাত হোৱা অজানিত ভুলৰ বাবে ক্ষমা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি বাৰ্ষিক প্ৰতিবেদন ইমানতে সামৰিলোঁ।

*"জয় আই অসম"।*

*"জয়তু জৱাহৰ জ্যোতি"।*

**শ্ৰীবশিষ্ঠ দেৱ শৰ্মা**
*সাধাৰণ সম্পাদক*
ছাত্ৰ একতা সভা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে অধ্যক্ষ মহোদয় আৰু মাননীয় শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। লগতে যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিপুলসংখ্যক ভোটেৰে মোক সহকাৰী সাধাৰণ সম্পাদকৰ পদত জয়যুক্ত কৰিলে সেই সকলোলৈকে মোৰ কৃতজ্ঞতা তথা আন্তৰিক ধন্যবাদ জনাইছোঁ।

কাৰ্যভাৰ লোৱাৰ পিছৰ পৰাই মহাবিদ্যালয়ৰ প্ৰগতি তথা ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগ আদি দূৰ কৰাৰ কাৰণে যথা-সাধ্য চেষ্টা কৰিছিলো। অৱশ্যে এই ক্ষেত্ৰত কিমানদূৰ সফল হলো সেইটো বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত। এইখিনিতে এটা কথা উল্লেখ কৰা উচিত হব যে মহাবিদ্যালয় সংবিধান অনুসৰি সহকাৰী সাধাৰণ সম্পাদকৰ তেনে কোনো নিৰ্দিষ্ট কাম নাই। সকলো কামৰ বাবে সাধাৰণ সম্পাদকৰ ওপৰতে নিৰ্ভৰ কৰিব লগীয়া হয়।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পাছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। মই বিভাগীয় সম্পাদকসকলক তেওঁলোকৰ কাৰ্যাৱলী চলাই নিয়াত সহায় কৰো।

আন আন বছৰৰ দৰে এই বছৰতো মহাবিদ্যালয়ত শ্ৰীশ্ৰীসৰস্বতী পূজা, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি পালন কৰা হয়। তদুপৰি ছাত্ৰ একতা সভাৰ উদ্যোগত সদৌ অসম ভিত্তিত এখন আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

আমাৰ কাৰ্যকালৰ ভিতৰতে মহাবিদ্যালয়ৰ পৰা তিনিগৰাকী জ্যেষ্ঠ অধ্যাপকে অৱসৰ গ্ৰহণ কৰে। ছাত্ৰ-একতা সভাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলে তেখেতসকলক আন্তৰিক বিদায় সম্ভাষণ জনোৱাৰ লগতে তেখেতসকলৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

আমাৰ কাৰ্যভাৰ চলাই যাওঁতে অধ্যক্ষ মহোদয়সকলৰ পৰা পোৱা সজ পৰামৰ্শৰ বাবে তেখেতসকলৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি সমূহ অধ্যাপক-অধ্যাপিকাৰ পৰা পোৱা সহায় আৰু সহযোগিতাৰ বাবে তেখেতসকললৈকো মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লগতে ছাত্ৰ-একতা সভাৰ সমূহ সদস্য-সদস্যা আৰু বন্ধু-বান্ধৱী ক্ৰমে বিভূতি, জ্যোতি, ইন্দিৰা, জ্যোতি (বাবা), মীনাক্ষি, মলয়া, মিতা, ছাহজাহান, হীৰা, কামিনী, সোণমণি, জিতু, প্ৰিয়া, দৰ্পনা, উপমা, দীপাঙ্কৰ আৰু বিজয় শৰ্মালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত বিগত কালছোৱাত অজানিতে কৰা নানা ধৰণৰ ভুলৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ ওচৰত ক্ষমা বিচাৰি তথা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

*জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।*

*ধন্যবাদেৰে–*

**শ্ৰীনলিনী কলিতা**
*সহকাৰী সাধাৰণ সম্পাদক*
ছাত্ৰ একতা সভা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# ক্রীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে যিসকল ছাত্র-ছাত্রী তথা বন্ধু-বান্ধৱীয়ে ১৯৯৭-৯৮ ইং চনৰ ছাত্র একতা সভাৰ নির্বাচনত মোৰ ওপৰত আস্থা ৰাখি ক্রীড়া বিভাগৰ সম্পাদকৰূপে মোক নির্বাচিত কৰিলে সেইসকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

ক্রীড়া বিভাগৰ সম্পাদক হিচাপে কার্যভাৰ লোৱাৰ কেইদিনমান পাছতে মহাবিদ্যালয়ৰ বার্ষিক উৎসৱ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে হোৱা বিভিন্ন প্রতিযোগিতাত অংশ গ্রহণ কৰি ছাত্র-ছাত্রীসকলে নিজ নিজ প্রতিভাৰ পৰিচয় দাঙি ধৰে।

খেল-ধেমালি হ'ল শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। বর্তমান বিশ্বৰ বিভিন্ন দেশে খেলা-ধূলাত উৎকর্ষ সাধনৰ কাৰণে নানান ব্যৱস্থা হাতত লৈছে। তাৰ তুলনাত আমাৰ দেশত খেলা-ধূলাৰ প্রতি সিমান মনোযোগ দিয়া হোৱা নাই। স্কুল আৰু মহাবিদ্যালয়বোৰৰ মাধ্যমত খেলা-ধূলাৰ প্রতি এক আকর্ষণ গঢ়ি তুলিব পাৰি আৰু এচাম উৎকৃষ্ট খেলুৱৈ গঢ়ি তুলিব পাৰি। কিন্তু চৰকাৰী সাহায্য অবিহনে ছাত্র-ছাত্রীৰ পৰা সংগ্রহ কৰা মাচুলেৰে খেলৰ সামগ্রী কিনি খেলৰ অনুশীলন কৰাই ছাত্র-ছাত্রীসকলক স্কুল বা মহাবিদ্যালয় কর্তৃপক্ষই উপযুক্ত খেলুৱৈ হিচাপে গঢ়ি তোলাটো অসম্ভৱ।

তথাপি সীমিত অর্থেৰে হলেও মহাবিদ্যালয় কর্তৃপক্ষই যথাসাধ্য চেষ্টাৰ ত্রুটি কৰা নাই। এইখিনিতে এটা কথা উল্লেখ কৰা উচিত যে মহাবিদ্যালয়ত অনুষ্ঠিত প্রতিযোগিতাসমূহত প্রতিযোগীৰ সংখ্যা অতি কম আছিল। তদুপৰি প্রতিযোগীসকলক উৎসাহিত কৰিবলৈ যথেষ্টসংখ্যক দর্শকৰ অভাৱ পৰিলক্ষিত হৈছিল। মই আশা ৰাখিছোঁ ভৱিষ্যতে যেন প্রতিযোগিতাসমূহত যথেষ্টসংখ্যক প্রতিযোগী তথা দর্শকৰ সমাগম ঘটে।

মোৰ কার্য্যকালছোৱাত মোক বিভিন্ন ধৰণে দিহা-পৰামর্শ দি সহায়-সহযোগ কৰা 'ক্রীড়া বিভাগ'ৰ তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্রীযুত দ্বিজেন দাস ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ছাত্র একতা সভাৰ সদস্য-সদস্যাসকললৈকো মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লগতে মোক বিভিন্ন দিশত দিহা-পৰামর্শ দি সহায় কৰা ছাত্র-ছাত্রী, বন্ধু-বান্ধৱী মানিক, জেহিৰুদ্দিন, বিপুল, ধনঞ্জয়, বি পুণ, উজ্জ্বল, মৃগেশ, ৰীতা, ৰীমা; গীতা, দীপ প্রিয়া, উপমা আদিলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই আৰু কার্য সম্পাদন কৰোতে অজানিতে হোৱা ভু লৰ বাবে ক্ষমা মাগি মোৰ চমু প্রতিবেদন ইমানতে সামৰিছোঁ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"

*ধন্যবাদেৰে—*

**শ্রীমিন্টু কুমাৰ ৰয়**
*ক্রীড়া সম্পাদক*
ছাত্র একতা সভা
জৱাহৰলাল নেহৰু কলেজ, বকো

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে জ্ঞাত-অজ্ঞাত ছহিদসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ আৰু আশা ৰাখিছোঁ তেওঁলোকৰ ত্যাগৰ নিদৰ্শনে যুৱ-শক্তিক প্ৰেৰণা যোগাই থাকিব। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু কাৰ্যালয়ৰ সহকাৰীসকললৈকো মোৰ কৃতজ্ঞতা যাচিছোঁ। লগতে ১৯৯৭-৯৮ ইং চনৰ বাবে ছাত্ৰ-একতা সভাৰ 'খেল বিভাগ'ৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি এই মহান অনুষ্ঠানটোলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই খেল বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। ১৯/১/৯৮ ইং তাৰিখৰ পৰা ২৭/১/৯৮ ইং তাৰিখলৈ এই সপ্তাহ উদ্‌যাপিত হয়। মোৰ বিভাগত থকা আন্তঃশ্ৰেণী ক্ৰিকেট আৰু ভলীবল প্ৰতিযোগিতাত খেলুৱৈসকলে উন্নত মানৰ খেল প্ৰদৰ্শন কৰে। খেলসমূহ পৰিচালনা কৰাত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষাগুৰুসকলৰো সহায়-সহযোগিতা লাভ কৰিছিলোঁ। এইখিনিতে মই তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আন্তঃশ্ৰেণী ক্ৰিকেট প্ৰতিযোগিতাত স্নাতক ২য় বৰ্ষই চেম্পিয়ন আৰু উচ্চতৰ মাধ্যমিক ২য় বৰ্ষই ৰাণাৰ্ছ আপ খিতাপ লাভ কৰে। ভলীবল প্ৰতিযোগিতাত উচ্চতৰ মাধ্যমিক ২য় বৰ্ষই চেম্পিয়ন আৰু স্নাতক প্ৰথম বৰ্ষই ৰাণাৰ্ছ আপ খিতাপ অৰ্জন কৰে।

কাৰ্য পৰিচালনা কৰাত মোক বিভিন্ন ধৰণে সহায়-সহযোগ তথা দিহা-পৰামৰ্শ দি উপকৃত কৰা কাৰণে খেল বিভাগৰ তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত অৱনী কুমাৰ দাস দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। তদুপৰি মোক বিভিন্ন দিশত সহায় কৰা ছাত্ৰ বন্ধু হেমন্ত, বাবুল, অশোক, বিজয়, ধনীন, কমল, বিপুল, নিপুণ আৰু বান্ধৱী প্ৰণিতা, দীপপ্ৰিয়া, গীতা, উপমা, ৰীতা, সোণমণি, সুনিতা, বৰ্ণালী, সৰযু, ইলামণি, নিতুমণি, মানসীপ্ৰিয়ালৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ। মোক বিভিন্ন ধৰণে সহায় কৰা কাৰণে শ্ৰীপদ্মধৰ কলিতালৈকো মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

সদৌ শেষত মোৰ কৰ্তব্য পালন কৰোঁতে হোৱা জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"**

*ধন্যবাদেৰে——*

**শ্ৰীধীৰাজ কুমাৰ ৰাভা**
*সম্পাদক, খেল বিভাগ*
ছাত্ৰ একতা সভা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে ১৯৯৭-৯৮ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক 'ছাত্ৰ জিৰণি কোঠা'ৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বছৰবোৰৰ দৰে এইবাৰো মহাবিদ্যালয় সপ্তাহত 'ছাত্ৰ জিৰণি কোঠা'ৰ ফালৰ পৰা কেৰম, বেডমিন্টন, ডবা আৰু পাঞ্জা খেলৰ প্ৰতিযোগিতা পতা হয়। খেল সমূহ চলাই নিয়াত সহায় কৰা ছাত্ৰবন্ধু মনোজ, সঞ্জীৱদা, বিৰিঞ্চি দা, হৰ মোহন, লোকপ্ৰিয়, সোণমণি আৰু কমললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুপাতে কমন ৰুমৰ খেলৰ সামগ্ৰী কম। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়োজনীয় অনুশীলন কৰাত অসুবিধা হয়। মই আশা ৰাখিছোঁ মহাবিদ্যালয় কৰ্তৃপক্ষই এই অভাৱবোৰ পূৰণ কৰি ছাত্ৰ-ছাত্ৰীৰ কল্যাণ সাধন কৰিব।

এইবাৰ মহাবিদ্যালয় সপ্তাহত কিছুমান খেলত খেলিমেলিৰ সৃষ্টি হৈছিল। মহাবিদ্যালয়ৰ নিয়ম অনুসৰি নিয়মীয়া নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলেহে খেলত অংশ গ্ৰহণ কৰিব পাৰে। কিন্তু কিছুমান প্ৰাইভেট ছাত্ৰ-ছাত্ৰীয়ে খেলত অংশ গ্ৰহণ কৰি এই খেলিমেলিৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত পৰৱৰ্তী সম্পাদকসকল সতৰ্ক হ'ব বুলি মই আশা ৰাখিছোঁ।

মোৰ কাৰ্যকালত সকলো ফালৰ পৰা দিহা-পৰামৰ্শ দি সহায় কৰা ছাত্ৰ-জিৰণি কোঠাৰ তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত দেৱেন্দ্ৰনাথ শৰ্মা দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে একতা সভাৰ সমূহ সদস্য সদস্যা আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা আৰু ধন্যবাদ যাচিছোঁ।

সদৌ শেষত মোৰ কাৰ্য পালনত হোৱা অজানিত ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*ধন্যবাদেৰে—*

**শ্ৰীধীৰাজ কলিতা**
*সম্পাদক, ছাত্ৰ জিৰণি কোঠা*
ছাত্ৰ একতা সভা,
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ চনৰ ছাত্ৰ একতা সভাৰ "ছাত্ৰী জিৰণি কোঠা"ৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মোক মহান অনুষ্ঠানটোক সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্যভাৰ লোৱাৰ পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। ছাত্ৰী জিৰণি কোঠাৰ ফালৰ পৰা অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহৰ ভিতৰত বেড্‌মিন্টন, কেৰম, ৰিং, পাঞ্জা, অন্তাক্ষৰী আদিয়ে প্ৰধান আছিল।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্য চলাই যাওঁতে কিছুমান অসুবিধাৰ সন্মুখীন হৈছিলো। ইয়াৰ ভিতৰত প্ৰধান আছিল ছাত্ৰী জিৰণি কোঠাটো ছাত্ৰী অনুপাতে সৰু হোৱাটো। ছাত্ৰীৰ সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰী জিৰণি কোঠাটো আহল-বহলকৈ নিৰ্মাণ কৰিবৰ কাৰণে এইখিনিতে মই মহাবিদ্যালয় কৰ্তৃপক্ষক বিনম্ৰ অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালত মোক দিহা-পৰামৰ্শ দি কৰ্তব্য আৰু দায়িত্ব পালনত সহায় কৰাৰ বাবে তত্বাৱধায়ক অধ্যাপিকা শ্ৰীযুতা বিজয়া ডেকা বাইদেউ আৰু লগতে অধ্যাপিকা শ্ৰীযুতা বিনয়াদেৱী বাইদেউ আৰু অধ্যাপক মহম্মদ হবিবুৰ ৰহমান ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্তত সহায়-সহযোগ কৰা পদ্ম দা, ভাইটি, সোণমণি বায়ন, ধীৰাজ কলিতা, মৰমী, ইভা, গীতাঞ্জলি কলিতা, জিতু মহন্ত, হেমন্ত পাঠক, দীপ বড়ো, একলব্য ৰাভা আৰু ছাহজাহান আলীক মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে দায়িত্ব পালনত মই কিমানখিনি সফল হৈছো সেইটো আপোনালোকৰ বিচাৰৰ বিষয়। শেষত কাৰ্যভাৰ চলাই যাওঁতে অজানিতে হোৱা ভুলৰ বাবে ক্ষমা-মাৰ্জনা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

**"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"**

*ধন্যবাদেৰে—*

**মিছ অশ্ৰুকণা খাখলাৰী**
*সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা*
ছাত্ৰ একতা সভা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৭-৯৮ ইং চনৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত 'সাংস্কৃতিক সম্পাদক'ৰ বাবে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

কলা সংস্কৃতি হ'ল এটা জাতিৰ প্ৰাণ। কলা-সংস্কৃতি অবিহনে এটা জাতি জীয়াই থকা অসম্ভৱ। তদুপৰি কোনো দেশ বা জাতি কিমান উন্নত মানৰ সেইটো সেই দেশ বা জাতিৰ কলা-সংস্কৃতিৰ মাজেৰে বুজিব পাৰি। গতিকে স্বকীয় কলা-সংস্কৃতিৰ ৰক্ষণা-বেক্ষণ তথা বিকাশত প্ৰতিজন লোক সচেতন হোৱা উচিত।

আন আন বছৰৰ দৰে এইবছৰো বছৰেকীয়া মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা বিভিন্ন গীত-মাত, নৃত্য, একাঙ্কিকা নাট আদিৰ প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতাত যথেষ্টসংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এইখিনিতে প্ৰতিযোগীসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে বিচাৰকমণ্ডলী উপস্থিত থাকি আমাৰ কাৰ্যসূচী ত্ৰুটিপূৰ্ণ নোহোৱাকৈ চলাই নিয়াৰ বাবে তেখেতসকললৈকো আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাংস্কৃতিক বিভাগৰ দায়িত্ব পালন কৰিবলৈ যাওঁতে মই বহুতো অভাৱ-অভিযোগৰ সন্মুখীন হ'ব লগা হওঁ। বিশেষকৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিচৰামতে বাদ্যযন্ত্ৰ নাই। তদুপৰি থকা বাদ্যযন্ত্ৰখিনি সংৰক্ষণৰ বাবে উপযুক্ত ব্যৱস্থা নাই। পৰৱৰ্তী সম্পাদকসকলে এই বিষয়ত মনোযোগ দিব বুলি আশা ৰাখিলো।

মোৰ কাৰ্যকালছোৱাত বিভাগীয় কাম-কাজত সকলোফালৰ পৰা দিহা-পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰীযুত বসন্তকুমাৰ দত্তদেৱ, অধ্যক্ষ মাননীয় শ্ৰীযুত ৰমাকান্ত বৰুৱাদেৱ আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত কমলেশ্বৰ ঠাকুৰীয়াদেৱৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে মোৰ কাম-কাজত সহায় কৰা ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ মোৰ অফুৰন্ত ভালপোৱা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এবছৰীয়া এই কাৰ্যকালত মই কিমান সফল হৈছো তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰীসকলৰ হাতত। সদৌশেষত মোৰ জ্ঞাত বা অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

*"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"*

*জয়তু ভাৰত মাতা।*

*ধন্যবাদেৰে——*

**শ্ৰীইন্দ্ৰজিৎ কলিতা**
*সম্পাদক, সাংস্কৃতিক বিভাগ*
ছাত্ৰ একতা সভা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# তর্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৭-৯৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ 'তৰ্ক আৰু আলোচনাচক্ৰ'ৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মোৰ অতি মৰমৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

একতা সভাৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে বিভিন্ন কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ মহাবিদ্যালয় সপ্তাহ অতি জাক-জমকতাৰে উদ্‌যাপিত কৰা হয়। উক্ত সপ্তাহত তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ ফালৰ পৰা কুইজ, আকস্মিক বক্তৃতা, মুকলি বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, হিন্দী, অসমীয়া আৰু ইংৰাজী কবিতাৰ আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তৰ্ক প্ৰতিযোগিতাৰ বাহিৰে বাকীকেইটা প্ৰতিযোগিতাত যথেষ্টসংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল। এই ছেগতে প্ৰতিযোগীসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

আমাৰ কাৰ্যকালছোৱাতে আমাৰ মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত এখন আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সৌভাগ্য হৈছিল। যোৰহাট, নগাঁও আদিকে ধৰি অসমৰ বহুকেইখন আগশাৰীৰ মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি প্ৰতিযোগিতাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। এই প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ছিপাঝাৰ মহাবিদ্যালয়ৰ শ্ৰীদিগন্ত ডেকাই। দ্বিতীয় স্থান লাভ কৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ মিছ চন্দ্ৰামিতা শৰ্মাই আৰু তৃতীয় স্থান লাভ কৰে দৰং মহাবিদ্যালয়ৰ ৰবিকাঞ্চন চেটাৰ্জীয়ে। ইয়াৰ উপৰি শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লাভ কৰে দৰং মহাবিদ্যালয়ে। এই ছেগতে মই আটাইকেইজন প্ৰতিযোগীকে মোৰ হিয়াভৰা ওলগ আৰু অভিনন্দন জনাইছোঁ।

তৰ্ক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়তে অসমৰ বহুকেইখন মহাবিদ্যালয়ৰ পৰা তৰ্ক আৰু কুইজ প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে নিমন্ত্ৰণী-পত্ৰ পাইছিলোঁ। কিন্তু কলেজৰ আৰ্থিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি সকলো কেইখন প্ৰতিযোগিতাত অংশ লোৱা নাছিলো। তথাপি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত কৰা তৰ্ক প্ৰতিযোগিতা আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাত যোগদান কৰা হৈছিল। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধুৰ শ্ৰীবশিষ্ঠ দেৱ শৰ্মাই দ্বিতীয় পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। এইখিনিতে মই শ্ৰীবশিষ্ঠ দেৱ শৰ্মাৰ লগতে যোগদানকাৰী আনজন তাৰ্কিক বন্ধু শ্ৰীঅৰুণ দাসক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত আলোচনাচক্ৰ এখনি অনুষ্ঠিত কৰিব নোৱৰা কাৰণে মই দুঃখিত। আশা ৰাখিছোঁ পৰৱৰ্তী সম্পাদকসকল এই বিষয়ত সচেষ্ট হ'ব।

কাৰ্য পৰিচালনা কৰাত দিহা-পৰামৰ্শ আদি দি উপকৃত কৰা কাৰণে তৰ্ক আৰু আলোচনাচক্ৰৰ তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত নবীন মুদিয়াৰ দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। কাৰ্যকালৰ শেষ সময়ত লগপোৱা মাননীয় অধ্যক্ষ শ্ৰীযুত ৰমাকান্ত বৰুৱা দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লগতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত দেৱেন্দ্ৰ নাথ শৰ্মা ছাৰ, মাননীয় অধ্যাপক দ্বিজেন দাস ছাৰ আৰু মাননীয় শ্ৰীযুত লক্ষীকান্ত শৰ্মা ছাৰলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰি ছাত্ৰ বন্ধু তথা বান্ধৱী হৰো, চন্দন, অৰুন, বিভূতি, দ্বিপেন, ছাইফুল, সোণমণি, আনন্দ, মুকুতা, জুলি, চন্দনা, সুনীতা, শেৱালী, ইৰা আৰু পদ্ম দা, লেবেন দা আৰু ভাৰতলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা শুভেচ্ছা জনাই আৰু মোৰ কাৰ্যকালত হোৱা অজানিত ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"*

*জয়তু ভাৰত জননী।*


*ধন্যবাদেৰে —*

**শ্ৰীপ্ৰশান্ত কলিতা**

*সম্পাদক, তৰ্ক আৰু আলোচনাচক্ৰ, ছাত্ৰ একতা সভা*

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ ইং চনৰ ছাত্ৰ একতা সভাৰ 'সমাজ সেৱা বিভাগ'ৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰা কাৰণে সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ বিভাগীয় প্ৰতিবেদনৰ আৰম্ভণিতে সমাজ সেৱাৰ বিষয়ে দু-আষাৰ কোৱাটো উচিত বুলি বিবেচনা কৰিছোঁ। সমাজ সেৱা মানেই হ'ল দেশসেৱা। আমাৰ সকলোৰে নিজ নিজ চুবুৰি বা অঞ্চলটোৰ প্ৰতি এটা দায়বদ্ধতা আছে। এই দায়িত্ব পালন কৰিবলৈ সমাজৰ লোকসকল যদি দলবদ্ধভাৱে আগবাঢ়ি আহে আৰু নিজৰ প্ৰয়োজনসমূহ পূৰণ কৰি লয় তেতিয়া দেশৰ যে কল্যাণ সাধিত হ'ব তাত কোনো সন্দেহ নাই। সমাজ সেৱাৰ মাজেৰে বিভিন্ন জাতি বা সম্প্ৰদায়ৰ মাজত মিলাপ্ৰীতি স্থাপন কৰি ঐক্যৰ এনাজৰীডালো সুদৃঢ় কৰিব পাৰি। সমাজ সেৱাৰ দৰে এটা মহৎ কামৰ অনুশীলন সৰুৰে পৰাই কৰিব লাগে। বিদ্যালয় তথা মহাবিদ্যালয়সমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে এনে অভ্যাস গঢ়ি তুলিব পাৰে।

বিগত বছৰবোৰৰ দৰে এইবাৰো বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰাৰ বাবে এখন প্ৰতিযোগিতা পতা হয়। প্ৰতিযোগিতাত নিজৰ শ্ৰেষ্ঠতা দেখুৱাবলৈ সমৰ্থ হোৱা ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হয়। ইয়াৰ উপৰি ১৯৯৮-৯৯ চনৰ শিক্ষা বৰ্ষৰ নাম ভৰ্তিৰ পাছত মহাবিদ্যালয় চৌহদত সকলোবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখন চাৰিদিনীয়া সমাজসেৱা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

সমাজসেৱা বিভাগৰ গুৰুদায়িত্ব পালন কৰাত মোক সকলো দিশৰ পৰা দিহা-পৰামৰ্শ আদি দি উপকৃত কৰা কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ যথাক্ৰমে শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱ, শ্ৰীযুত ধৰ্মকান্ত বৰুৱা দেৱ আৰু বৰ্তমানৰ অধ্যক্ষ ড° ৰমাকান্ত বৰুৱা দেৱৰ ওচৰত মই কৃতজ্ঞ। সমাজসেৱা বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত প্ৰণৱ কুমাৰ শৰ্মাদেৱকো মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। মোৰ কাৰ্য সম্পাদন কৰোতে পদে পদে সহায় আগবঢ়োৱা বন্ধু সৰ্বশ্ৰী কন্দৰ্প, মানিক, বিপুল, প্ৰাঞ্জল, লোকপ্ৰিয়, ধীৰাজ, ধনঞ্জয়, জাহিৰুদ্দিন, হিৰন্ময়, হেমন্ত আৰু বান্ধৱী ৰীমা, গীতা, দুলুমণি, কল্যাণী, দীপপ্ৰিয়া, ৰূপৰেখা, চন্দ্ৰা, দুলু বড়ো আৰু দাদা পৱনলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ জ্ঞাত-অজ্ঞাত ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ এই মহান শিক্ষানুষ্ঠানখনৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

**জয় আই অসম।**

*ধন্যবাদেৰে—*

**শ্ৰীবাবুল কলিতা**
*সম্পাদক, সমাজসেৱা বিভাগ*
ছাত্ৰ একতা সভা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

# সহকাৰী আলোচনী সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ চনৰ ছাত্ৰ-একতা সভাৰ সহকাৰী আলোচনীৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ কাৰণে ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাহিত্য হ'ল জাতিৰ সভ্যতা-সংস্কৃতিৰ বাহক স্বৰূপ। সাহিত্যৰ মাজতে এটা জাতিৰ অস্তিত্ব, ইতিহাস আৰু সংস্কৃতি সোমাই থাকে। এজন ব্যক্তি-যিয়ে নিজৰ মনৰ ভাব বা উপলব্ধিবোৰ লিপিবদ্ধ কৰি যায় তেওঁৱেই হ'ল লিখক বা সাহিত্যিক। লিখকৰ মনৰ ভাব তথা চিন্তা-চৰ্চাৰ লিখিত ৰূপেই হ'ল সাহিত্য।

আমাৰ মহাবিদ্যালয়ৰ অতীতৰ মুখপত্ৰসমূহ চালে মোৰ মনত এনে ভাব হয় যে অতীতৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট নিষ্ঠাৰে লিখা-মেলা কৰিছিল। কিয়নো সেই লিখনিসমূহ বৰ্তমানৰ লিখনিসমূহতকৈ যথেষ্ট উন্নত যেন লাগে। বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ পৰা যিখিনি লিখনি পোৱা হৈছে সেইখিনি উন্নত মানৰ নহয়। তদুপৰি এতিয়া লিখনিসমূহো অতি কষ্টেৰেহে সংগ্ৰহ কৰিব লগা হয়।

মহাবিদ্যালয়ৰ মুখপত্ৰখন প্ৰকাশ কৰাৰ সকলোখিনি দায়িত্ব সম্পাদকৰ বুলি ভবাতো অনুচিত। কাৰণ মহাবিদ্যালয়ৰ মুখপত্ৰখনতে মহাবিদ্যালয়ৰ প্ৰতিচ্ছবি ফুটি উঠে। সেয়ে মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ মুখপত্ৰখন সৰ্বাঙ্গ সুন্দৰ কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীয়ে কিঞ্চিৎ হলেও অৰিহণা আগবঢ়োৱা উচিত। এই ক্ষেত্ৰত মোৰ বোধেৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্যৰ আন্দোলন এটা গঢ়ি তোলাৰ অতিকৈ প্ৰয়োজন আছে।

আমাৰ কাৰ্যকালত আমি কি কি কৰিলোঁ, কি কি কৰিবলৈ বৈ গ'ল তাৰ মই খতিয়ান দিব নিবিচাৰো। কাৰণ, ইমান ডাঙৰ মহাবিদ্যালয় এখনৰ অভাৱ এশ এবুৰি। গতিকে ইমানবোৰ অভাৱ বা সমস্যা জোৰামৰাত আমি হয়তো সম্পূৰ্ণৰূপে সক্ষম নহ'লোঁ। তাৰ ভিতৰত কিঞ্চিৎ যিখিনি আমাৰ সাধ্য সেই কাৰ্যত আমি কোনোদিনে হেমাহি কৰা নাছিলোঁ। আমি যদি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কিবা দিব পাৰিছো তাৰ কাৰণে আমি কৃতজ্ঞতাৰ পাত্ৰ। যদি একোৱে দিব নোৱাৰিলোঁ তেনেহলে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত আমি চিৰ ঋণী হৈ ৰ'লোঁ।

মুখপত্ৰখন প্ৰকাশ কৰি উলিওৱাত তত্বাৱধায়ক শিক্ষাগুৰু শ্ৰীযুত লক্ষী কান্ত শৰ্মা ছাৰে আগবঢ়োৱা সহায়-সহযোগিতাৰ কাৰণে আন্তৰিক কৃতজ্ঞতা জনাইছো। মুখপত্ৰখনৰ প্ৰাৰম্ভিক কাম-কাজত একাত্মকভাৱে সহায় আগবঢ়োৱাৰ কাৰণে বন্ধু সঞ্জীৱলৈও (বাবন) আন্তৰিক ধন্যবাদ জনাইছোঁ। লগতে মুখপত্ৰখন প্ৰকাশ কৰাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয়ভাৱে যিখিনি অৱদান আগবঢ়ালে সেইসকল ছাত্ৰ-ছাত্ৰীলৈকো মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলক আমাৰ প্ৰতি দেখুওৱা মৰম আৰু সহযোগিতাৰ কাৰণে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। ভৱিষ্যতে "জৱাহৰ জ্যোতি" অধিক উন্নত মানৰ হওক — ইয়াকে কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

ইতি —

**শ্ৰীবিপুল কলিতা**
*সহকাৰী আলোচনী সম্পাদক*
ছাত্ৰ-একতা সভা, ১৯৯৭-৯৮ চন
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো